# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 20-01-2025
**Time :** 21-25 Hrs

***Assamese Night Bulletin***

\- - - - - - - - - - - - - -

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি দক্ষিণ কোৰিয়াৰ ৰাজধানী ছিউলত দেশখনৰ সৰ্ববৃহৎ আন্তৰ্ৰাষ্ট্ৰীয় বাণিজ্য সংস্থা-**কিটা**ৰ প্ৰতিনিধি দলৰ সৈতে ফলপ্ৰসূ বৈঠকত মিলিত হয়। মুখ্যমন্ত্ৰীয়ে লগতে দক্ষিণ কোৰিয়াৰ অট'মোবাইল খণ্ডৰ প্ৰতিষ্ঠানসমূহৰ মুখ্য কাৰ্যবাহী বিষয়া আৰু নেতাসকলৰ সৈতেও বৈঠকত মিলিত হয়।

অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত গুৱাহাটীত হ'বলগীয়া এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণলৈ বিদেশী বিনিয়োগকাৰীক আকৰ্ষণ কৰাৰ উদ্দেশ্যৰে দক্ষিণ কোৰিয়া আৰু জাপান ভ্ৰমণলৈ যোৱা মুখ্যমন্ত্ৰীয়ে কোৰিয়াৰ কোম্পানীসমূহক অসমত বিনিয়োগ কৰিবলৈ আহ্বান জনায়। চাহ, ৰেচম, কৃষিজাত সামগ্ৰীকে ধৰি প্ৰকৃতিৰ অনবদ্য উপাদানেৰে ভৰপূৰ অসম তথা উত্তৰ-পূৰ্বাঞ্চলত পৰ্যটনকে ধৰি বিভিন্ন ক্ষেত্ৰত বিনিয়োগৰ ব্যাপক সম্ভাৱনাৰ কথা মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। ইয়াৰ জৰিয়তে অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ আৰ্থসামাজিক দৃশ্যপট সলনি কৰিব পৰা যাব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। ড° শৰ্মাই ইয়াৰ পূৰ্বে ছিউলত ইণ্ডিয়ান চেম্বাৰ অব কৰ্মাচে আয়োজন কৰা এডভাণ্টেজ আছামৰ ৰোড শ্ব'ত অংশগ্ৰহণ কৰি ১৪০ গৰাকীৰো অধিক উদ্যোগপতিৰ সৈতে মত বিনিময় কৰে।

000

সদৌ অসম অপ্ৰাদেশীকৃত শিক্ষক-কৰ্মচাৰী সংস্থাই ২০১৭-১৮ চনত স্থাপন হোৱা শিক্ষানুষ্ঠানসমূহত কৰ্মৰত শিক্ষক পদসমূহ প্ৰাদেশীকীকৰণৰ আওতালৈ অনাৰ বাবে চৰকাৰৰ প্ৰতি আহ্বান জনাইছে। গুৱাহাটীৰ শিলপুখুৰী দুৰ্গামন্দিৰ প্ৰেক্ষাগৃহত আয়োজিত শিক্ষক-কৰ্মচাৰী সংস্থাৰ সাধাৰণ সভাত আজি সংস্থাটোৱে প্ৰাদেশীকীকৰণৰ বিষয়টো কাৰ্যকৰীকৰণৰ ক্ষেত্ৰত ইতিমধ্যে ৰাজ্য চৰকাৰে এখন উপ-সমিতি গঠন কৰাৰ বাবে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জনায়।

ইপিনে, প্ৰাদেশীকীকৰণৰ পৰা বঞ্চিত বহু সংখ্যাক শিক্ষক-কৰ্মচাৰীয়ে আজি চাকৰি নিয়মীয়াকৰণৰ দাবীত খানাপাৰাত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা আহি সমবেত হোৱা শিক্ষক-কৰ্মচাৰীসকলে খানাপাৰাৰ পৰা জনতা ভৱনৰ দিশে অগ্ৰসৰ হ'বলৈ চেষ্টা চলাই যদিও আৰক্ষীয়ে তেওঁলোকক বাধা প্ৰদান কৰে। পাছত আৰক্ষীয়ে প্ৰতিবাদী শিক্ষক-কৰ্মচাৰীসকলক আটক কৰি খানাপাৰাৰ পৰা অন্য স্থানলৈ লৈ যায়।

000

গুৱাহাটী মহানগৰত অপৰাধমূলক কাৰ্যকলাপ ৰোধ কৰা তথা এনে কাৰ্যত জড়িতসকলৰ বিৰুদ্ধে মহানগৰ আৰক্ষীয়ে অভিযান তীব্ৰতৰ কৰি তুলিছে। গুৱাহাটীত আজি এখন সংবাদমেলৰ জৰিয়তে এই কথা

প্ৰকাশ কৰি আৰক্ষী আয়ুক্ত ডং পাৰ্থসাৰথি মহন্তই কয়, যে মহানগৰৰ বিভিন্ন অঞ্চলত আৰক্ষীয়ে ব্যাপক তালাচী অভিযান অব্যাহত ৰাখিছে আৰু বিভিন্ন গোচৰৰ তদন্ত প্ৰক্ৰিয়াও ক্ষীপ্ৰ কৰি তোলা হৈছে। তেওঁ কয়, যে মহানগৰবাসী যাতে তৎকালে আৰক্ষীৰ যথাযথ সেৱা লাভ কৰিব পাৰে তাৰ বাবেও প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ডং মহন্তই অপৰাধমূলক কাৰ্যকলাপত জড়িতসকলক কোনো কাৰণতে ৰেহাই দিয়া নহ'ব বুলি স্পষ্ট কৰি দি এই ক্ষেত্ৰত মহানগৰবাসীৰ সহায়-সহযোগিতা কামনা কৰে।

০০০

ৰাজ্যত পহিলা জানুৱাৰীত আৰম্ভ হোৱা পথ সুৰক্ষা মাহৰ অংশ হিচাপে পৰিবহন মন্ত্ৰী যোগেন মহনে আজি সন্ধিয়া শিৱসাগৰ নগৰত সুৰাপান কৰি গাড়ী চলোৱাৰ বিৰুদ্ধে কঠোৰ অভিযান চলায়। এই অভিযানৰ জৰিয়তে সুৰাপান কৰি গাড়ী চলোৱাৰ ফলত হ'ব পৰা পথ দুৰ্ঘটনা সন্দৰ্ভত সজাগতা সৃষ্টিৰ প্ৰয়াস কৰা হয়। মন্ত্ৰীগৰাকীয়ে পথ সুৰক্ষা নিশ্চিত কৰাৰ বাবে সামুহিক প্ৰচেষ্টাৰ প্ৰয়োজনীয়তাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰি কয়, যে পৰিবহন বিভাগৰ এনে প্ৰচেষ্টাৰ ফলস্বৰূপে ৰাজ্যত পথ দুৰ্ঘটনাৰ সংখ্যা ১৩ শতাংশলৈ হ্ৰাস পাইছে।

০০০

ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী, এন চি চিৰ প্ৰতি দেখুওৱা নিষ্ঠা আৰু পৰ্বতাৰোহনৰ ক্ষেত্ৰত প্ৰদৰ্শন কৰা অসাধাৰণ কৃতিত্বৰ বাবে মৰিগাঁৱৰ জিলাৰ চৰাইবাহীৰ আৰ্যমিত্ৰ নাথক প্ৰতিৰক্ষা মন্ত্ৰীৰ পদকেৰে সন্মানিত কৰা হৈছে। পৰ্বতাৰোহনৰ প্ৰশিক্ষক তথা অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষৰ সদস্য হিচাপে আৰ্যমিত্ৰই দুসাহসীকতাৰ পৰিচয় দিয়াৰ লগতে দায়বদ্ধতাৰে জনসেৱাৰ্থে কাম কৰি আহিছে বুলি আমাৰ সংবাদদাতাই প্ৰকাশ কৰিছে।

০০০

মাজুলী জিলা সাহিত্য সভাৰ নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিল প্ৰক্ৰিয়া কাইলৈ আৰম্ভ হ'ব। জিলা সাহিত্য সভাৰ সভাপতি ৰাম সাগৰ নাথে আজি মাজুলী ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা অতুল শইকীয়াক নিৰ্বাচনী বিষয়াৰ দায়িত্বভাৰ অৰ্পন কৰে। অহা ২৩ জানুৱাৰী মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন। ২৯ জানুৱাৰীত জিলা সাহিত্য সভাৰ নিৰ্বাচনী প্ৰক্ৰিয়াৰ সামৰণি পৰিব।

০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত সমাগত গণৰাজ্য দিৱসৰ প্ৰস্তুতি চলি আছে। কাৰ্বি আংলং জিলাৰ ডিফু চৰকাৰী বালক উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত আজি গণৰাজ্য দিৱসৰ কুছকাৱাজৰ অনুশীলন আৰম্ভ কৰা হয়। জিলাখনৰ বিভিন্ন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰী, এন চি চি, আৰক্ষী আৰু গৃহৰক্ষী জোৱানসকলে এই দিৱস উপলক্ষে কুছকাৱাজৰ অনুশীলনত অংশগ্ৰহণ কৰে।

০০০

অসম ক্ৰিকেট সন্থাৰ উদ্যোগত আৰু মঙলদৈ ক্ৰীড়া সন্থাৰ সহযোগত মঙলদৈ উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত আজিৰে পৰা সপ্তম বাৰ্ষিক অসম প্ৰিমিয়াৰ ক্লাৱ ছেম্পিয়নশ্বিপ প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। আজিৰ উদ্বোধনী খেলত ডায়মণ্ড ক্লাৱে - ব্লু বাৰ্ড ক্লাৱৰ বিৰুদ্ধে ৮৫ ৰাণত জয়লাভ কৰে। ডায়মণ্ড

ক্লাৱে প্ৰথমে বেট ধৰি ২৮ অভাৰ ৩ টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৮৭ ৰাণ কৰে। প্ৰত্যুত্তৰত ব্লু বাৰ্ড ক্লাৱে ২২ অভাৰ ২টা বলত ১০২ ৰাণহে কৰিবলৈ সমৰ্থ হয়।

০০০

সমাপ্ত